# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 31-07-2024 **Time :** 1845 Hrs.

## *Assamese Evening Bulletin*

১। অসম সন্তান লাভলীনা বৰগোহাঁইৰ পেৰিছ্ অলিম্পিকত জয়েৰে অভিযান আৰম্ভ। প্ৰি-কোৱাৰ্টাৰ ফাইনেলত জয়লাভ কৰা লাভলীনালৈ মুখ্যমন্ত্ৰীৰ অভিনন্দন।

২। ৰাজ্যিক কেবিনেটৰ বৈঠকত অৰুণোদয় আঁচনিৰ তৃতীয় পৰ্যায়ত ৪৭ লাখ হিতাধিকাৰীক সামৰি লোৱাৰ সিদ্ধান্ত। ই-শ্ৰম প'ৰ্টেলত অন্তৰ্ভুক্ত ৬ লাখ প্ৰব্ৰজিত শ্ৰমিকক ৰেচন কাৰ্ড প্ৰদান কৰা হ'ব বুলি মুখ্যমন্ত্ৰীৰ প্ৰকাশ।

৩। গুৱাহাটী আৰু উত্তৰ গুৱাহাটীৰ মাজত নিৰ্মাণৰত দলঙৰ বাবে ৩ হাজাৰ ৩০ কোটি টকা ধাৰ্য। ২০২৫ চনৰ জুন মাহৰ ভিতৰত দলংখন মুকলি কৰা আশ্বাস।

**আৰু**

৪। কেৰালাৰ ৱায়নাডত ভূমিস্খলনত মৃত্যু হোৱা লোকৰ সংখ্যা ১৬৫ লৈ বৃদ্ধি। সেনাবাহিনীৰ উদ্ধাৰ অভিযান অব্যাহত।

০০০০০০০

পেৰিছ্ অলিম্পিকৰ পঞ্চম দিনা আজি অসমৰ লাভলীনা বৰগোঁহাইয়ে বক্সিঙৰ মিডল ৱেট শিতানৰ ৭৫ কিলোগ্ৰাম শাখাৰ প্ৰি কোৱাৰ্টাৰ ফাইনেলত নৰৱেৰ ছুন্নীভা হফষ্টাডক পৰাজিত কৰি কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে। টকিঅ' অলিম্পিকত ব্ৰঞ্জৰ পদক দখলেৰে অসম তথা দেশলৈ গৌৰৱ কঢ়িয়াই অনা লাভলীনাৰ এই ফলাফলে অনুৰাগীসকলৰ মাজত উৎসাহৰ সৃষ্টি কৰিছে। উল্লেখযোগ্য যে পূৰ্বে ৬৯ কিলোগ্ৰাম শাখাত অংশগ্ৰহণ কৰা খেলুৱৈগৰাকী এইবেলি প্ৰথমবাৰৰ বাবে অলিম্পিকত ৭৫ কিলোগ্ৰাম শাখাত অৱতীৰ্ণ হৈছে। অহা ৪ আগষ্টত খেলুৱৈগৰাকী কোৱাৰ্টাৰ ফাইনেলত অৱতীৰ্ণ হ'ব। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমযোগে আজি লাভলীনাৰ বিজয় যাত্ৰা অপূৰ্ব বুলি মন্তব্য কৰিছে। তেওঁ কয় যে খেলুৱৈগৰাকী কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰাটোৱে অসমবাসীক উৎফুল্লিত কৰি তুলিছে। তেওঁ ৰাজ্যখনৰ জনসাধাৰণৰ হৈ খেলুৱৈগৰাকীক আন্তৰিক অভিনন্দন আৰু পৰৱৰ্তী খেলসমূহৰ বাবে শুভেচ্ছা জ্ঞাপন কৰে। কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালেও লাভলীনাৰ আজি জয়ৰ বাবে অভিনন্দন জ্ঞাপন কৰাৰ লগতে পৰৱৰ্তী খেলৰ বাবে শুভ কামনা জনাইছে।

ইপিনে, ভাৰতীয় বক্সাৰ, আৰ্চাৰ, শ্বুটাৰ আৰু শ্বাটলাৰসকলে নিজ নিজ শাখাৰ খেলত অৱতীৰ্ণ হৈছে।

বেডমিণ্টনত পি ভি সিন্ধু আৰু লক্ষ্য সেনে ৰাউণ্ড অব্ ছিক্সটিনত প্ৰৱেশ কৰিছে। মহিলাৰ ছিংগলছত পি ভি সিন্ধুৱে ইষ্টোনিয়াৰ কৃষ্টিন কিউবাক ২১-৫, ২১-১০ ত পৰাজিত কৰে। আনহাতে, পুৰুষৰ ছিংগলছত লক্ষ্য সেনে ইণ্ডোনেছিয়াৰ জনাতন কৃষ্টিক ২১-১৮, ২১-১২ত পৰাজিত কৰে। এইচ এছ্ প্ৰণয় ভিয়েটনামৰ ড্যুক ফেট লেৰ বিৰুদ্ধে অৱতীৰ্ণ হৈছে।

শ্বুটিঙৰ ৫০ মিটাৰ ৰাইফলৰ থ্ৰী পজিচন শিতানৰ যোগ্যতা নিৰূপণ খেলত স্বপ্নীল কৌছেলে ৫৯০ স্ক'ৰ অৰ্জন কৰি ফাইনেলত প্ৰৱেশ কৰিছে। আনহাতে, একেটা শিতানতে ঐশ্চৰী প্ৰতাপ সিং টোমৰে ফাইনেলত প্ৰৱেশ কৰাত ব্যৰ্থ হয়।

একেদৰে মহিলাৰ ট্ৰেপ শ্বুটিঙত শ্ৰেয়াশী সিং আৰু ৰাজেশ্বৰী কুমাৰীয়ে আজি যোগ্যতা নিৰূপণ পৰ্যায়ৰ দ্বিতীয় ৰাউণ্ডত অৱতীৰ্ণ হ'ব। আনহাতে, অনুজ আগৰৱালে অশ্বচালনা প্ৰশিক্ষণৰ ব্যক্তিগত শিতানৰ গ্ৰুপ 'ই'ত নৱম স্থানত থাকে।

শ্ৰীজা অকুলাই টেবুল টেনিছৰ এখন খেলত ছিংগাপুৰৰ চিয়ান জেঙৰ সন্মুখীন হ'ব।

আৰ্চাৰীত দীপিকা কুমাৰীয়ে মহিলাৰ ৰাউণ্ড ছিক্সটিনত প্ৰৱেশ কৰিছে। ভাৰতে এইবাৰৰ অলিম্পিকত বৰ্তমানলৈকে দুটা পদক লাভ কৰিছে।

০০০০০০০

ৰাজ্যিক কেবিনেটৰ আজি এখন গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হয়। কেবিনেটত ষষ্ঠ অনুসূচীৰ অধীনৰ অঞ্চলসমূহক পৰিচালনাৰ বাবে থকা গ্ৰাম্য পৰিষদৰ তথা গ্ৰাম্য উন্নয়ন পৰিষদসমূহত মুঠ ৪৭৬টা সচিব পদৰ বাবে অনুমোদন জনোৱা হয়। মুখ্যমন্ত্ৰীগৰাকীয়ে কেবিনেটত হোৱা সিদ্ধান্তসমূহৰ বিষয়ে সাংবাদিকক জানিবলৈ দি কয় যে, অৰুণোদয় আঁচনিৰ হিতাধিকাৰী বাছনিৰ ক্ষেত্ৰত পূৰ্বতে কিছু আসোঁৱাহ দেখিবলৈ পোৱা গৈছিল আৰু সেয়েহে এইবাৰ এইক্ষেত্ৰত অধিক গুৰুত্ব দিয়া হ'ব। অৰুণোদয় থ্ৰীত প্ৰায় ৪৭ লাখ হিতাধিকাৰীক সামৰি লোৱা ল'ব। তেওঁ লগতে কয় যে, ৰেচন কাৰ্ড আৰু আধাৰকাৰ্ড থাকিলেহে এই আঁচনিৰ বাবে আবেদন কৰিব পাৰিব। ই-শ্ৰম প'ৰ্টেলত অন্তৰ্ভুক্ত ৬ লাখ প্ৰব্ৰজিত শ্ৰমিকক ৰেচন কাৰ্ড প্ৰদান কৰা হ'ব বুলি তেওঁ উল্লেখ কৰে। আজিৰ কেবিনেট বৈঠকত গুৱাহাটী আৰু উত্তৰ গুৱাহাটীৰ মাজত নিৰ্মাণৰত দলঙৰ বাবে ৩ হাজাৰ ৩০ কোটি টকা ধাৰ্য কৰা হৈছে বুলি তেওঁ উল্লেখ কৰে। ২০২৫ চনৰ জুন মাহৰ ভিতৰত এই দলংখন মুকলি কৰা হ'ব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে আশা প্ৰকাশ কৰে। অসম দক্ষতা বিশ্ববিদ্যালয়ৰ উপাচাৰ্যৰ কাৰ্যকাল আৰু দুবছৰলৈ বৃদ্ধি কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰাৰ লগতে কেবিনেটে অসম দক্ষতা বিশ্ববিদ্যালয় বিধেয়কখন এইবাৰ সদনত উত্থাপন কৰিব বুলি মুখ্যমন্ত্ৰী ড০ শৰ্মাই জানিবলৈ দিয়ে। ইপিনে ধুবুৰী ৰূপসী বিমান বন্দৰৰ নাম সলনি কৰি গুৰুদেৱ কালিচৰণ ব্ৰহ্ম নামেৰে নামকৰণ কৰাৰ প্ৰস্তাৱ লোৱা হৈছে বুলিও মুখ্যমন্ত্ৰীগৰাকয়ে সাংবাদিকক জানিবলৈ দিয়ে।

০০০০০০০০

সমগ্ৰ শিক্ষা অভিযানে অহা বছৰৰ ৬ জানুৱাৰীত আৰম্ভ হ'বলগীয়া গুণোৎসৱৰ সংশোধিত সূচী প্ৰকাশ কৰিছে। এই কাৰ্যসূচী ৬ জানুৱাৰীত আৰম্ভ হ'ব যদিও সংশোধিত সূচী অনুসৰি দ্বিতীয় পৰ্যায়ৰ গুণোৎসৱ ১৮ জানুৱাৰীৰ পৰিৱৰ্তে ১৭ জানুৱাৰীৰ পৰা অনুষ্ঠিত হ'ব। একেদৰে তৃতীয় পৰ্যায়ৰ গুণোৎসৱ পূৰ্বৰ ৬ ফেব্ৰুৱাৰীৰ পৰিৱৰ্তে ৪ ফেব্ৰুৱাৰীত আৰম্ভ হ'ব। ৪ ফেব্ৰুৱাৰীত তৃতীয় পৰ্যায়ৰ গুণোৎসৱৰ স্ব-মূল্যায়ন হোৱাৰ বিপৰীতে ৫-ৰ পৰা ৭ ফেব্ৰুৱাৰীলৈ বহিঃমূল্যায়ন হ'ব। আন এটা সংশোধনী অনুসৰি পশ্চিম কাৰ্বি আংলং জিলাত দ্বিতীয় পৰ্যায়ৰ গুণোৎসৱৰ তালিকাত অন্তৰ্ভুক্ত কৰা হৈছে। আগেয়ে এই জিলাখন তৃতীয় পৰ্যায়ৰ গুণোৎসৱৰ তালিকাত অন্তৰ্ভুক্ত আছিল। সমগ্ৰ শিক্ষাৰ মিছন সঞ্চালকে জাৰি কৰা নিৰ্দেশনা অনুসৰি প্ৰথম পৰ্যায়ৰ গুণোৎসৱ ১১ খন জিলাত, দ্বিতীয় পৰ্যায়ৰ গুণোৎসৱ ১৪ খনত আৰু তৃতীয় পৰ্যায়ৰ গুণোৎসৱ ১০ খন জিলাত অনুষ্ঠিত হ'ব।

০০০০০০০

মৰিগাঁও জিলাত ৩ আগষ্টত হ'বলগীয়া টাটা ছেমি কণ্ডাক্টৰ প্ৰকল্পৰ ভূমি পূজন কাৰ্যৰ প্ৰস্তুতিৰ বুজ ল'বলৈ আজি মন্ত্ৰী বিমল বৰা আৰু পীযুষ হাজৰিকা জাগীৰোডত উপস্থিত হয়। মন্ত্ৰী দুগৰাকীয়ে সংশ্লিষ্ট বিষয়া তথা দলীয় কৰ্মীসকলৰ সৈতে মত বিনিময় কৰি এই কাৰ্যসূচী নিয়াৰিকৈ সম্পন্ন কৰাৰ বাবে আহ্বান জনায়। ২০২৬ চনৰ ভিতৰত টাটাই এই প্ৰকল্পৰ কাম আৰম্ভ কৰিব। প্ৰযুক্তিৰ ক্ষেত্ৰত অসমত মাইলৰ খুঁটি হিচাপে পৰিগণিত হ'বলগীয়া এই প্ৰকল্পত প্ৰায় ২৭ হাজাৰ কোটি টকা ব্যয় হ'ব বুলি অনুমান কৰা হৈছে। ৩ আগষ্টত মুখ্যমন্ত্ৰীয়ে এই প্ৰকল্পৰ ভূমি পূজন কৰিব।

০০০০০০০

২০২৪-২৫ বৰ্ষৰ সাধাৰণ বাজেট দেশৰ অগ্ৰাধিকাৰৰ বিষয়সমূহ যেনে - উন্নয়ন, কৰ্ম সংস্থাপন সৃষ্টি, কল্যাণ, মূলধনী ব্যয় আৰু বিত্তীয় একত্ৰীকৰণৰ মাজত ভাৰসাম্য ৰক্ষা কৰি যুগুত কৰা হৈছে বুলি বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমনে আজি ৰাজ্যসভাত প্ৰকাশ কৰে। ৰাজ্যসভাত আজি বাজেট সম্পৰ্কীয় আলোচনাৰ উত্তৰত তেওঁ এই কথা উল্লেখ কৰে। কেন্দ্ৰীয় চৰকাৰে 'সবকা সাথ, সবকা বিকাশ, সবকা বিশ্বাস আৰু সবকা প্ৰয়াস'ৰ নীতিত বিশ্বাস ৰাখি আহিছে বুলি মন্তব্য কৰি তেওঁ কয় যে বাজেটখনে সহযোগিতামূলক যুক্তৰাষ্ট্ৰীয়বাদৰ নীতিত অটল আস্থা ৰখাকে প্ৰতিপন্ন কৰিছে। তেওঁ লগতে কৃষিখণ্ডত

আবণ্টন হ্ৰাস পোৱা বুলি বিৰোধী দলে কৰা অভিযোগ খণ্ডন কৰে। তেওঁ কয় যে শিক্ষা, নিয়োগ আৰু দক্ষতা বিকাশৰ ক্ষেত্ৰত ১ লাখ ৪৮ হাজাৰ কোটি টকা আবণ্টনৰ প্ৰস্তাৱ দিয়া হৈছে। ইপিনে, দেশত জাতিৰ লোকপিয়লৰ দাবীৰে বিৰোধী পক্ষই সৃষ্টি কৰা হুলস্থূলীয়া পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত আজি লোকসভাৰ কাৰ্যক্ৰমণিকা দুপৰীয়া ১২ বজালৈ স্থগিত ৰখা হয়। ইয়াৰ পূৰ্বে পুৱাৰ ভাগত সদন মিলিত হোৱাৰ সময়ত কংগ্ৰেছৰ সদস্যসকলে বিষয়টো সদনত উত্থাপন কৰাৰ চেষ্টা চলায়। পাছত কংগ্ৰেছ, ডি এম কে, সমাজবাদী পাৰ্টী আৰু অন্যান্য দলৰ সদস্যসকলে সদনৰ মজিয়াত তেওঁলোকৰ দাবীৰ সমৰ্থনত শ্ল'গান দিবলৈ আৰম্ভ কৰে। অধ্যক্ষ ওম বিৰলাই প্ৰতিবাদৰত সদস্যসকলক নিজৰ নিজৰ আসন গ্ৰহণ কৰিবলৈ বাৰে বাৰে অনুৰোধ জনায় যদিও তেওঁলোকে প্ৰতিবাদ অব্যাহত ৰাখে। এনে পৰিস্থিতিৰ মাজতেই অধ্যক্ষই প্ৰশ্নকাল চলাই নিবলৈ চেষ্টা কৰে। তেওঁ কয় যে, পূৰ্ব পৰিকল্পিতভাৱে সদনৰ কাৰ্যসূচীত ব্যাঘাত জন্মোৱাটো উচিত নহয়। সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেন ৰিজিজুৱে সদনত বিৰোধী পক্ষৰ ব্যৱহাৰৰ বাবে সমালোচনা কৰে। তেওঁ কংগ্ৰেছক সেনাবাহিনীৰ বিৰুদ্ধে মন্তব্য কৰি দেশক দুৰ্বল কৰাৰ চেষ্টা চলোৱা বুলি অভিযোগ কৰে। শ্ৰী ৰিজিজুৱে লগতে কংগ্ৰেছে দেশত হিংসাক উচতনি দিয়াৰ চেষ্টা কৰিছে বুলিও অভিযোগ উত্থাপন কৰে। হুলস্থূলীয়া পৰিস্থিতি বাহাল থকাৰ বাবে সদনৰ কাম-কাজ দুপৰীয়া ১২ বজালৈ স্থগিত ৰখা হয়।

০০০০০০০০

কেৰালাৰ ৱায়নাডত ভূমিস্খলনত মৃত্যু হোৱা লোকৰ সংখ্যা ১৬৫ লৈ বৃদ্ধি পাইছে। এই দুৰ্ঘটনাত আঘাতপ্ৰাপ্ত ১৮৬ জন লোকক বিভিন্ন হাস্পতালত চিকিৎসা প্ৰদান কৰি থকা হৈছে। বোকাত পোত খাই থকা মৃতদেহ উদ্ধাৰ বাবে আৰক্ষীৰ স্নিফাৰ ড'গ নিয়োগ কৰা হৈছে। অঞ্চলটোত কেইবাটাও উদ্ধাৰকাৰী দল আৰু আঞ্চলিক সেনা বেটেলিয়ন নিয়োগ কৰা হৈছে।

ইপিনে মালাপ্পুৰাম জিলাৰ চালিয়াৰ নদীৰ পৰাও বহুকেইটা মৃতদেহ উদ্ধাৰ কৰা হৈছে। ৰাজ্যখনত কালিৰ ভয়াৱহ ভূমিস্খলনত নদীৰ পানীয়ে এই মৃতদেহসমূহ উটুৱাই লৈ যায়। ভূমিস্খলনত প্ৰায় ২০০ জন লোক এতিয়াও সন্ধানহীন হৈ থকাৰ তথ্য পোৱা গৈছে যদিও এই সংখ্যা অধিক বৃদ্ধি পোৱাৰ সম্ভাৱনা আছে। সেনা, নৌসেনা, বায়ুসেনা, ৰাষ্ট্ৰীয় দুৰ্যোগ সঁহাৰি বাহিনী তথা অন্যান্য সংস্থাসমূহে যুটীয়াভাৱে উদ্ধাৰ আৰু সাহায্য অভিযান অব্যাহত ৰাখিছে। ৱায়নাডত স্থাপন কৰা ৪৫টা সাহায্য শিবিৰত ৩ হাজাৰতকৈও অধিক লোকক আশ্ৰয় প্ৰদান কৰা হৈছে।

ইফালে, ভাৰতীয় বতৰ বিজ্ঞান বিভাগে কেৰালাৰ মালাপ্পুৰাম, কোঝিক'ড়, ৱায়নাড, কুন্নুৰ আৰু কাচাৰগডত প্ৰবল বৰষুণ হোৱাৰ সম্ভাৱনা প্ৰকাশ কৰি অৰেঞ্জ এলাৰ্ট জাৰি কৰিছে। বিভাগীয় কৰ্তৃপক্ষই তিৰুৱানন্তপুৰম আৰু কুল্লামৰ বাহিৰে ১২ খন জিলাৰ সকলো শৈক্ষিক প্ৰতিষ্ঠান বন্ধ ঘোষণা কৰিছে।

০০০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ নাট শাখাৰ কণ্ঠস্বৰ পৰীক্ষা অৰ্থাৎ অ'ডিছনৰ বাবে নিৰ্দিষ্ট কৰা দিনৰ সালসলনি ঘটোৱা হৈছে। নাট শাখাৰ পৰা জনোৱা মতে অনিবাৰ্য কাৰণবশতঃ পৰিহলৈৰ পৰা হ'বলগীয়া পূৰ্ব ঘোষিত কণ্ঠস্বৰ পৰীক্ষাৰ সূচী নতুনকৈ ঘোষণা কৰা হৈছে। নতুন তাৰিখ অনুসৰি অহা ৩ ছেপ্তেম্বৰৰ পৰা ২০ ছেপ্তেম্বৰলৈ এই অ'ডিছন সম্পন্ন হ'ব। নতুনকৈ আবেদন কৰা শিশু শিল্পী আৰু বি-গ্ৰেডৰ উপৰি বি-হাই গ্ৰেডৰ বাবেও একেলগে অ'ডিছন সম্পন্ন হ'ব। প্ৰাৰ্থীসকললৈ কণ্ঠস্বৰ পৰীক্ষাৰ প্ৰৱেশ পত্ৰ ডাক যোগে পঠিওৱা হ'ব আৰু প্ৰত্যেকৰে ম'বাইলত অ'ডিছনৰ তাৰিখ আৰু সময় সম্পৰ্কে বাৰ্তা প্ৰেৰণ কৰা হ'ব। যদি আবেদন কৰা কোনো প্ৰাৰ্থীয়ে এই দুয়োটা মাধ্যমৰ এটাৰ জৰিয়তেও নিজৰ কণ্ঠস্বৰ পৰীক্ষাৰ দিন-সময় সম্পৰ্কে অৱগত নহয় তেন্তে তেওঁলোকে অহা ২০ আগষ্টৰ পাছত ৯৪০১০-৮৩০১৮ নম্বৰত হোৱাটছ-এপ যোগে যোগাযোগ কৰিব পাৰিব। পৰীক্ষাত উত্তীৰ্ণ হৈ কেন্দ্ৰটোৰ নাট শাখাৰ অভিনয় শিল্পীৰ স্বীকৃতি পোৱাসকলৰ তালিকা ২৪ ছেপ্তেম্বৰৰ বিয়লি ৩ বজাত প্ৰকাশ কৰা হ'ব।

oooooooo

দেশৰ চিকিৎসা মহাবিদ্যালয়সমূহত চলিত বৰ্ষৰ এম বি বি এছ, বি ডি এছ আদি পাঠ্যক্ৰমত নামভৰ্তিৰ কাউঞ্চেলিঙৰ বাবে পঞ্জীয়ন প্ৰক্ৰিয়া আগষ্ট মাহৰ প্ৰথম সপ্তাহত আৰম্ভ হ'ব। মেডিকেল কাউঞ্চেলিং কমিটীয়ে এই কথা প্ৰকাশ কৰি লগতে কয় যে চিকিৎসা বিজ্ঞানৰ স্নাতক পাঠ্যক্ৰমৰ নামভৰ্তিৰ বাবে কাউঞ্চেলিং পৰ্ব অহা ১৪ আগষ্টত আৰম্ভ হ'ব।

ৰাষ্ট্ৰীয় চিকিৎসা আয়োগৰ অধ্যক্ষ ডাঃ বি শ্ৰীনিবাসে, পঞ্জীয়ন আৰু কাউঞ্চেলিং সম্পৰ্কীয় সকলোধৰণৰ অগ্ৰগতিৰ বিষয়ে অৱগত হ'বলৈ শিক্ষাৰ্থীসকলক মেডিকেল কাউঞ্চেলিং কমিটীৰ ৱেবছাইটত দৃষ্টি ৰাখিবলৈ আহ্বান জনাইছে। উল্লেখযোগ্য যে এই কাউঞ্চেলিঙৰ জৰিয়তে এম বি বি এছ পাঠ্যক্ৰমত দেশৰ পৰা ১ লাখ ১০ হাজাৰ আৰু বি ডি এছৰ প্ৰায় ২১ হাজাৰ আসনৰ লগতে আয়ুস মন্ত্ৰালয়ৰ অধীনৰ পাঠ্যক্ৰমতো নামভৰ্তি প্ৰক্ৰিয়া আৰম্ভ হ'ব। সূচী অনুসৰি অহা ১৪ আগষ্টৰ পৰা ২১ আগষ্টলৈ কাউঞ্চেলিং সম্পন্ন হোৱাৰ পাছত ২৩ আগষ্টত আসন আবণ্টনৰ ফলাফল ঘোষণা কৰা হ'ব। আনহাতে, ৬ ছেপ্তেম্বৰৰ পৰা ১০ ছেপ্তেম্বৰলৈ দ্বিতীয় পৰ্যায়ৰ কাউঞ্চেলিং সম্পন্ন হোৱাৰ পাছত দ্বিতীয় পৰ্যায়ৰ আসন আবণ্টন ১১ আৰু ১২ ছেপ্তেম্বৰত আৰু তৃতীয় তথা অন্তিম পৰ্যায়ৰ আবণ্টন প্ৰক্ৰিয়া ১৩ ছেপ্তেম্বৰত সম্পূৰ্ণ হ'ব।

একেদৰে, চলিত বৰ্ষৰ চিকিৎসা বিজ্ঞানৰ স্নাতকোত্তৰ পাঠ্যক্ৰমত নামভৰ্তিৰ ৰাষ্ট্ৰীয় যোগ্যতা নিৰূপণ তথা প্ৰৱেশ পৰীক্ষা নীট পি জি অহা ১১ আগষ্টত অনুষ্ঠিত হ'ব বুলিও ঘোষণা কৰা হৈছে। এই পৰীক্ষাৰ বাবে পৰীক্ষাৰ্থীসকলে nbe.edu.in ৱেবছাইটৰ পৰা অহা ৮ আগষ্টত প্ৰৱেশ পত্ৰ ডাউনলোড কৰিব পাৰিব বুলি পৰীক্ষাৰ দায়িত্বত থকা সংস্থা National Board of Examinations in Medical Sciences, NBEMS ৰ পৰা প্ৰকাশ কৰা হৈছে। নীট পি জিৰ এই পৰীক্ষাৰ ফলাফলৰ ওপৰত ভিত্তি কৰি চিকিৎসা বিজ্ঞানৰ স্নাতকোত্তৰ পাঠ্যক্ৰমৰ আসনসমূহ পূৰণ কৰা হ'ব।

oooooooo

চিৰাং জিলাৰ ভাৰত-ভূটান সীমান্তৰ ৰুণীখাটা থানাৰ অন্তৰ্গত শালবাৰী গাঁৱত আজি AK-56 ৰাইফল আৰু গুলী উদ্ধাৰ হৈছে। আৰক্ষীয়ে এই সন্দৰ্ভত তদন্ত আৰম্ভ কৰিছে। উদ্ধাৰ হোৱা মাৰণাস্ত্ৰ কোনো বিদ্ৰোহী সংগঠনৰ হ'ব পাৰে বুলি আৰক্ষীয়ে সন্দেহ প্ৰকাশ কৰিছে।

oooooooo

বানত ক্ষতিগ্ৰস্ত কৃষকসকলক সকাহ দিয়াৰ উদ্দেশ্যে নগাঁও জিলাৰ কলিয়াবৰ কৃষক পৰিষদে কঠীয়া বিতৰণৰ বিশেষ কাৰ্যসূচী গ্ৰহণ কৰিছে। স্থানীয় বিধায়ক তথা মন্ত্ৰী কেশৱ মহন্তই কলিয়াবৰৰ বৰালীগাঁও পথাৰত উপস্থিত হৈ আজি আনুষ্ঠানিকভাৱে কৃষকসকলৰ মাজত কঠীয়া বিতৰণ কৰে। কলিয়াবৰ মহকুমাৰ অন্তৰ্গত দলগাঁও, নিজৰি, বৰভগীয়া, বামুণভেটী, ৰৌমাৰী, দলনি আদি অঞ্চলতো কঠিয়া বিতৰণ কৰা হয়। এই কাৰ্যসূচীয়ে অঞ্চলটোৰ প্ৰায় ১৮ হাজাৰ বিঘা কৃষিভূমিত ভূঁই ৰুব পৰাকৈ কৃষকসকলক সহায় কৰিব বুলি জানিব পৰা গৈছে।

oooooooo

তামুলপুৰ জিলাত ৰাজ্য চৰকাৰৰ আহ্বানমৰ্মে আজিৰে পৰা অমৃত বৃক্ষ আন্দোলন মুকলি কৰা হৈছে। সেই অনুসৰি **এক পেড় মা কে নাম** শীৰ্ষক শ্ল'গানেৰে আজি বাক্সা জিলাৰ বন প্ৰাধিকাৰীৰ তামুলপুৰ বনাঞ্চলিক কাৰ্যালয়ে গছপুলি ৰোপণ কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। প্ৰথম দিনাৰ কাৰ্যসূচী অনুসৰি আজি জিলাখনৰ গোৰেশ্বৰ অঞ্চলত বিভিন্ন শিক্ষানুষ্ঠান, অংগনবাড়ী কেন্দ্ৰ, আৰক্ষী থানা, চাহ বাগিচা, আত্মসহায়ক গোট আদিকে ধৰি ৯২টা স্থানত প্ৰায় ৩ লাখতকৈও অধিক গছপুলি ৰোপণ আৰু বিতৰণ কৰা হয়।

ooooooo

যোৰহাট জিলাৰ টীয়ক আঞ্চলিক ছাত্ৰ সন্থাৰ উদ্যোগত তথা জাঁজীমুখ শাখা ছাত্ৰ সন্থাৰ সহযোগত আজি বান ক্ষতিগ্ৰস্ত ছাত্ৰ-ছাত্ৰীক শিক্ষণ সামগ্ৰী বিতৰণ কৰা হয়। জাঁজীমুখ জনজাতি উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰাংগণত আজি আয়োজিত কাৰ্যসূচীত বানৰ ফলত ক্ষতিৰ সন্মুখীন হোৱা ৮ শতাধিক ছাত্ৰ-ছাত্ৰীক ছাত্ৰ সংগঠনটোৱে শিক্ষণ সামগ্ৰী বিতৰণ কৰে।

0000000

নটসূৰ্য ফণী শৰ্মাৰ স্মৃতি দিৱসৰ সৈতে সংগতি ৰাখি নটসূৰ্য সোঁৱৰণী উযদাপন সমিতিৰ উদ্যোগত আজি এটা বক্তৃতানুষ্ঠানৰ আয়োজন কৰা হয়। অনুষ্ঠানৰ আৰম্ভণিতে নটসূৰ্যৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰা হয়। এই কাৰ্যসূচীত সংগীত শিল্পী পুলক বেনাৰ্জী, মণিষা হাজৰিকা আৰু অভিনয় শিল্পী উপকূল বৰদলৈ আৰু মলয়া গোস্বামীয়ে অংশগ্ৰহণ কৰে। ইয়াৰ পাছতে কটন বিশ্ববিদ্যালয়ৰ এলুমনাই ভৱনত বিয়লি চৌখিন নাট্য চৰ্চা আজি আৰু কাইলৈ শীৰ্ষক বক্তৃতা প্ৰদান কৰে বিশিষ্ট নাট্যকাৰ তথা অৱসৰী অধ্যাপক ডঃ শ্যামাপ্ৰসাদ শৰ্মাই। এই অনুষ্ঠানত বিশিষ্ট গীতিকাৰ, সুৰকাৰ কীৰ্তিকমল ভূঞাক সম্বৰ্ধনা জ্ঞাপন কৰা হয়।

0000000

**সমাপ্ত**